# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 22-10-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

-------------------

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ২৫ হাজাৰৰো অধিক মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ ১৯ হাজাৰ ৬২৮ গৰাকী আৰু নগৰাঞ্চলৰ ৬ হাজাৰ ৯৫৭ গৰাকী মহিলা আছে। এই উপলক্ষে নগাঁও চহৰৰ নেহৰুবালিত এখন জনসভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰথম পৰ্যায়ত প্ৰদান কৰা এই মূলধনে ৰাজ্যখনত মহিলা নেতৃত্বাধীন বিকাশৰ পথ প্ৰশস্ত কৰিব। এই অভিযানৰ জৰিয়তে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ বীৰাংগনা মূলাগাভৰু আৰু ছহিদ কনকলতাৰ দেশপ্ৰেমে প্ৰত্যেককে অনুপ্ৰাণিত কৰাৰ দৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ক্ষেত্ৰত বৰ্তমানৰ নাৰী শক্তিও শক্তিশালী উদাহৰণ হ'ব পাৰে বুলি উল্লেখ কৰে।

**বাইট (চি এম)**

আজিৰ অনুষ্ঠানত ২৭ হাজাৰৰো অধিক লোকে সমস্বৰে ড০ ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত ২৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পও উদ্বোধন কৰে। তেওঁ নগাঁও আৰৰ্তভৰন চাৰিআলিৰ পৰা পানীগাঁও চাৰিআলিলৈ ৫ কোটি ২০ লাখ টকা ব্যয়েৰে নিৰ্মিত গৌৰৱ পথছোৰা মুকলি কৰে। ইয়াৰ পাছত তেওঁ ৮ কোটি ৭৩ লাখৰো অধিক ধন ব্যয় সাপেক্ষ কেইবামহলীয়া নতুন বজাৰগৃহ উদ্বোধন কৰে। সকলো ধৰণৰ সুবিধাযুক্ত এই চাৰিমহলীয়া বজাৰগৃহই গ্ৰাহকক পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশত বজাৰ কৰাৰ অভিজ্ঞতা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে আজি নগাঁৱৰ মহাত্মা গান্ধী পথত ৭ কোটি ১৩ লাখৰো অধিক টকা ব্যয়সাপেক্ষ নিৰ্মাণ কৰা অত্যাধুনিক ছুইমিং পুল উদ্বোধন কৰে। তেওঁ লগতে জিলাখনৰ মতিৰাম বৰা পথত নৱনিৰ্মিত স্বাস্থ্য সেৱাৰ যুটিয়া সঞ্চালকৰ নতুন কাৰ্যালয় ভৱনো মুকলি কৰে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ ডাবৰঘাট প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। তেওঁ লগতে তিৱা ভাষাৰ পাঠ্যপুথিসমূহো উন্মোচন কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ অধীনত প্ৰাথমিক বিদ্যালয়সমূহত বিভিন্ন ভাষাত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰাৰম্ভিক পৰ্যায়ত ৰাজ্যৰ ৬২ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাৰ শিক্ষা আৰম্ভ হ'ব। কিছু সংখ্যক বিদ্যালয়ত ইতিমধ্যে তিৱা ভাষাৰ শিক্ষক নিযুক্তি দিয়া হৈছে। বাকী থকা বিদ্যালয়সমূহতো

পৰ্যায়ক্ৰমে ভাষা শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই উদ্যোগে অসমৰ জনজাতীয় অঞ্চলসমূহত মাতৃভাষাৰ মাধ্যমত প্ৰাথমিক শিক্ষাৰ এটা যুগৰ সূচনা কৰিছে বুলি ডাঃ পেগুৱে উল্লে কৰে। আজিৰ অনুষ্ঠানত জাগীৰোডৰ বিধায়ক তথা মন্ত্ৰী পীযূষ হাজৰিকা, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন কোঁৱৰৰ লগতে তিৱা সাহিত্য সভা তথা তিৱা সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায়ালয়ৰ জৰিয়তে ন্যায় প্ৰদান কৰাৰ বাবে বিজেপিয়ে ৰাজ্যজুৰি ন্যায় যাত্ৰা আৰম্ভ কৰিছে। ইয়াৰ অংশ হিচাপে শাসকীয় দলটোৱে আজি নলবাৰীৰ ছহিদ মুকুন্দ কাকতি খেলপথাৰৰ পৰা গৰ্ডন খেলপথাৰলৈ সমদল উলিয়ায়। এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱা অংশগ্ৰহণ কৰে। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ন্যায়িক তদন্ত ক্ষীপ্ৰ কৰাৰ লগতে কোনো দোষীয়ে যাতে সাৰি যাব নোৱাৰে তাৰ বাবে শক্তিশালী অভিযোগনামা দাখিল কৰিবলৈ অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটক আহ্বান জনায়।

কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ফাষ্টট্ৰেক আদালত গঠন কৰি ক্ষীপ্ৰতাৰে তদন্ত চলাই দোষীক উপযুক্ত শাস্তি বিহি জুবিন গাৰ্গক ন্যায় দিবলৈ ন্যায়ালয়ক আহ্বান জনায়।

উল্লেখযোগ্য যে দলটোৱে ৩০ অক্টোবৰলৈকে প্ৰতিখন জিলাৰ সদৰতে এই ন্যায় যাত্ৰা উলিয়াব।

০০০০

বৰপেটা জিলা চেচন আদালতে আজি এটা হত্যাৰ গোচৰত  ঋষভ দাস নামৰ এজন দোষীক মৃত্যুদণ্ডৰে দণ্ডিত কৰে। বৰপেটা চহৰৰ গান্ধী নগৰৰ নিবাসী ঋষভ দাসে ২০২৩ বৰ্ষত ১৩ অক্টোবৰত পত্নী আৰু কন্যাক হত্যা কৰিছিল। ঘটনাৰ দিনাখনে ঋষভ দাসক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ২০২৪ বৰ্ষৰ আৰম্ভণিতে অভিযোগনামা  দাখিল কৰে। বিচাৰ প্ৰক্ৰিয়াৰ পাছত আদালতে যোৱা ১৬ অক্টোবৰত ঋষভ দাসক দোষী সাব্যস্ত কৰে যদিও শাস্তি ঘোষণা সংৰক্ষিত কৰি ৰাখিছিল। চেচন ন্যায়াধীশ দীপক ঠাকুৰীয়াৰ আদালতে আজি দোষীক মৃত্যুদণ্ডৰে দণ্ডিত কৰে। উল্লেখযোগ্য যে বৰপেটা জিলা গঠনৰ পিছত এইটোৱেই হৈছে মৃত্যুদণ্ড ঘোষণা কৰা প্ৰথমটো বাৰ।

০০০০

অসমত টেলিভিছন সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত বাটকটীয়া হৈছে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ১৯৮৫ চনত অসমত প্ৰথম টেলিভিছন বাতৰি সেৱা আৰম্ভ কৰাৰ সময়ৰ কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক লগ পাব অহা ২৫ অক্টোবৰৰ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। টেলিভিছনত বাতৰি প্ৰচাৰৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সম্পৰ্কত বহু কথা এই অনুষ্ঠানত উন্মোচিত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

ঃঃ সমাপ্ত ঃঃ